# প্ৰেমচন্দৰ ‘কফন’

শুভশ্ৰী কলিতা

হিন্দী সাহিত্য জগতত মুন্সী প্ৰেমচন্দ এজন অপ্ৰতিদ্বন্দ্বী সম্ৰাট। এওঁৰ আচল নাম মুন্সী ধনপত ৰায়। কিন্তু সাহিত্য জগতত প্ৰেমচন্দ নামেৰেই এওঁ প্ৰসিদ্ধ। সুপ্ৰতিষ্ঠিত ঔপন্যাসিক আৰু গল্পকাৰ হিচাপে খ্যাতি অৰ্জন কৰা প্ৰেমচন্দে বাল্যকাল অতিবাহিত কৰিব লগা হয় দুখ দৈন্যৰ মাজত। সেয়েহে মানৱ জীৱনৰ বিচিত্ৰ অভিব্যক্তি, বিষয়বস্তুৰ বৈচিত্ৰ্য আদিৰ লগতে অভাৱ অনাটনক্লিষ্ট ভাৰতীয় জনসাধাৰণৰ যাতনা আৰু নানা সমস্যা আছিল এওঁৰ ৰচনাৰাজিৰ উপজীব্য। ‘সেৱাসদন’, ‘গোদান’, ‘নিৰ্মলা’ আদিৰ দৰে প্ৰসিদ্ধ আৰু অনবদ্য উপন্যাসৰ ৰচক প্ৰেমচন্দৰ বিভিন্ন গল্প সংকলনো আছে। তাৰ ভিতৰত কেইখনমান উল্লেখযোগ্য গল্পপুথি হ'ল— ‘সপ্ত সৰোজ’, ‘নৱনিধি’, ‘প্ৰেম পূৰ্ণিমা’, ‘মানস সৰোবৰ’, ‘সমৰ যাত্ৰা’ ইত্যাদি।

দৰাচলতে দৰিদ্ৰ আৰু অৱহেলিত জনতাৰ প্ৰতি দয়াশীল লেখক ভাৰতত আছে যদিও প্ৰেমচন্দৰ এই ক্ষেত্ৰত এক সুকীয়া বৈশিষ্ট্য আছে। তেওঁ পীড়িত লোকৰ সাংসাৰিক জীৱনৰ নিঃকৰুণ কাহিনীৰ ছবিসমূহ অতি দক্ষতাৰে অংকন কৰিব পাৰিছিল। সেয়ে তেওঁৰ গল্পৰ কাহিনী আছিল হৃদয়স্পৰ্শী। সেইদৰে দলিত আৰু অনাদৃত কৃষক, বনুৱা, মুচি, পিয়ন আদিৰ দৰে সমাজৰ নিম্ন পৰ্যায়ৰ লোকসকল আছিল তেওঁৰ গল্পৰ চৰিত্ৰ, যিবোৰ চৰিত্ৰৰ প্ৰতি তেওঁ আছিল বিশেষভাৱে আকৃষ্ট আৰু সহানুভূতিশীল। এওঁৰ গল্পসমূহৰ কথনভংগী আছিল অতি সৰল আৰু মনোমোহা। ঠায়ে ঠায়ে সমাজৰ নিৰ্লজ ছবিবোৰ মূৰ্তৰূপত প্ৰকাশ কৰাৰ ক্ষেত্ৰত তেওঁ ব্যংগ তথা বিদ্ৰূপাত্মক শৈলী প্ৰয়োগ কৰিছে।

প্ৰেমচন্দৰ প্ৰাৰম্ভিক কালছোৱাত ৰচিত গল্পসমূহ প্ৰধানকৈ বৰ্ণনাত্মক শৈলীত ৰচিত। লগতে ঘটনাৰ বাহুল্য, অলাগতিয়াল পাত্ৰৰ প্ৰৱেশ আদি দুৰ্বলতা এই সময়ছোৱাত

Scanned with CamScanner

দেখা গৈছে। এনে শ্ৰেণীৰ গল্পৰ ভিতৰত আছে প্ৰধানতঃ 'নমক কা দাৰোগা', 'বড়ে ঘৰ কী বেটী' ইত্যাদি। সেইদৰে দ্বিতীয় ধাৰাৰ গল্পত প্ৰথমছোৱাৰ দৰেই আদৰ্শবাদ প্ৰকাশ পাইছে যদিও ইয়াত বাস্তৱতাৰ প্ৰতি গুৰুত্ব অধিক। বাস্তৱ সমাজৰ চিত্ৰ আৰু আদৰ্শৰ মাজত সংঘাত এই গল্পবোৰত দেখুওৱা হৈছে। তথাপি, আদৰ্শই বাস্তৱতা আৰু যথাৰ্থতাবাদক হেঁচি ধৰা বুলি আমি ক'ব নোৱাৰো। 'স্ত্ৰী পুৰুষ', 'মাতাহৃদয়', 'শান্তি', 'বলিদান', 'সফেদ খুন' আদি এই ধাৰাৰ চুটিগল্প। একেদৰে প্ৰেমচন্দে জীৱনৰ শেষ কালছোৱাত ৰচনা কৰা গল্পসমূহত যথাৰ্থবাদ আৰু বাস্তৱবাদ দুয়োটাৰে উপৰি অতি সাৰ্থকভাৱে মনোবৈজ্ঞানিক দৃষ্টি প্ৰদান কৰিছে। পৰিৱেশ, পৰিস্থিতি অনুযায়ী চৰিত্ৰ তথা বিবিধ অভিব্যক্তিৰ সূক্ষ্ম মনস্তাত্বিক বিশ্লেষণ এই গল্পসমূহৰ বিশেষত্ব। এই ধৰণৰ উল্লেখনীয় গল্পকেইটামান হ'ল— 'পুস কী ৰাত', 'নশা', 'যাদু', 'কফন' ইত্যাদি।

এনেদৰে প্ৰায়ে ত্ৰিছ বছৰ গল্প ৰচনা কাৰ্যত মনোনিৱেশ কৰা প্ৰেমচন্দ হিন্দী সাহিত্যৰ এক প্ৰসিদ্ধ গল্পকাৰৰূপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছিল। এই ত্ৰিছ বছৰীয়া যাত্ৰাত লাভ কৰা বিভিন্ন অভিজ্ঞতাই তেওঁৰ গল্পৰ কাহিনী, চৰিত্ৰ আৰু কলা-কৌশলত আকৰ্ষণীয়তা প্ৰদান কৰিছে। এইজনা মহান গল্পকাৰে সাহিত্যিক জীৱনৰ পাতনি মেলিছিল উৰ্দু ভাষাৰ মাজেৰে। এওঁৰ বহুচৰ্চিত গল্প 'কফন'ৰ প্ৰথম উৰ্দুৰূপ প্ৰকাশ পাইছে 'জামিয়া' নামৰ আলোচনীত ১৯৩৫ চনত; আৰু ১৯৩৬ চনত চান্দ নামৰ আলোচনীত ইয়াৰ হিন্দী ৰূপ প্ৰকাশ পাইছিল।

'কফন'ৰ কাহিনী সংক্ষেপতে হ'ল— ঘীচু আৰু মাধৱ দুয়ো বাপেক-পুতেক অতি দুখীয়া, লগতে এলেহুৱা আৰু অকামিলা ব্যক্তি। ঘীচুৰ কামলৈ ইমানেই অনীহা যে এদিন কাম কৰি তিনিদিন জিৰণি লয়। বাপেকৰ অকামিলা স্বভাৱত গঢ় লোৱা মাধৱেও আধা ঘণ্টা কাম কৰি এক ঘণ্টা চিলিম হোপে। প্ৰায়ে দুয়ো দিনৰ দিনটো একো কাম নকৰাকৈ পাৰ কৰে আৰু যেতিয়া ভোকত প্ৰাণ যোৱাৰ উপক্ৰম হয় তেতিয়া হাবিৰ পৰা খৰি বিচাৰি আনি বজাৰত তাক বিক্ৰী কৰে আৰু এসাঁজ-দুসাঁজৰ ভাত মোকলাই লয়। যেতিয়ালৈকে হাত একেবাৰে খালী নহয় তেতিয়ালৈ কামৰ বিষয়ে ভুলতো চিন্তা নকৰে। মাধৱে বুধিয়াক বিয়া কৰাই অনাৰ পিছৰে পৰা বুধিয়াই কাম-বন কৰি অলপ-অচৰপ যি উপাৰ্জন কৰে তাৰেই দুয়ো পোহপাল যায়।

এদিনাখন বুধিয়াই প্ৰসৱ বেদনাত চট্‌ফটাই আছিল। বাহিৰত বাপেক-পুতেকে চুৰি কৰি অনা আলু অতি তৃপ্তিৰে পুৰি খাই কথাৰ মহলা মাৰি আছিল। ঘীচুৱে বোৱাৰীয়েকৰ আৰ্তনাদ শুনি পুতেকক ভিতৰলৈ যাবলৈ পাচে যদিও অতি নীচ মনোবৃত্তিৰ মাধৱে যাবলৈ অস্বীকাৰ কৰে— জানোচা দেউতাকে গোটেই আলু খাই শেষ কৰি পেলায়। পোৰা আলু খাই থাকিয়েই দুয়ো আলোচনা কৰে জমিদাৰৰ বিয়াৰ ভোজ-ভাতৰ বিষয়ে। স্মৰণ কৰে বিভিন্ন সুস্বাদু ব্যঞ্জনৰ সোৱাদ লোৱা মধুৰ স্মৃতি। কিন্তু অতি



আচৰিতভাৱে আৰু অতি নিৰ্দয়ভাৱে বুধিয়াৰ বেদনাৰ প্ৰতি কাৰো কাণসাৰ নাছিল। দুয়ো আৰামত পোৰা গৰম আলু খাই ৰাতি শুই থাকিল।

ৰাতিপুৱা মাধৱে বুধিয়াক মৃত অৱস্থাত উদ্ধাৰ কৰি ঘৰিয়ালৰ চকুপানী টুকিলে আৰু মৃতকৰ সৎকাৰৰ বাবে মিছাকৈয়ে চিন্তান্বিত হোৱা দেখুৱালে। তাৰ পিছত দুয়ো বাপেক-পুতেক একেলগে গাঁৱৰ জমিদাৰৰ ঘৰলৈ গৈ কান্দি-কাটি শৱ শংকাৰৰ বাবে পইচা আনিলে। সেই পইচাৰে শৱ ঢাকিবলৈ কাপোৰ অনাৰ উদ্দেশ্যে দুয়ো বাপেক পুতেক বজাৰলৈ গ'ল। কিন্তু, বজাৰত উপস্থিত হোৱাৰ লগে লগে দুয়োৰে নীচ মনোবৃত্তিয়ে পুনৰ উক দিলে। তেওঁলোকে মৃতকৰ সদ্‌গতিৰ ব্যৱস্থা কৰাৰ বিপৰীতে মদৰ দোকানলৈ গৈ সেই টকাখিনি তাতেই খৰচ কৰিলে। দোকানত উদৰ পুৰাই খাই খাই উল্লাসতে ক'লে— 'आज जो भोजन मिला, वह कभी उम्र भर न मिला था' এনেদৰে মদৰ নিচাত মাতাল হৈ দুয়োজনেই পাপ-পূণ্য, স্বৰ্গ-নৰক আদি বিষয়ক বিভিন্ন কথা কৈ শেষত নিচা অধিক হোৱাত মাটিত বাগৰি পৰে। ইয়াতেই গল্পকাৰে গল্পটিৰ ইতিৰেখা অংকন কৰিছে।

**চুটিগল্প হিচাপে কফন ঃ** প্ৰেমচন্দৰ যথাৰ্থবাদী কাহিনীসমূহৰ ভিতৰত 'কফন' এক সাৰ্থক সৃষ্টি। চুটিগল্পৰ প্ৰয়োজনীয় আটাইবোৰ উপাদানেই গল্পটোত যথাযথ প্ৰয়োগ মন কৰিবলগীয়া। গল্পকাৰে এটা সুপৰিকল্পিত কাহিনীৰ মাজেদি গল্পটো আগবঢ়াই নিয়াত সফল হৈছে।

ইয়াত অলস পিতা-পুত্ৰৰ দায়িত্বহীন কাহিনী প্ৰকাশিত হৈছে। দৰিদ্ৰ জীৱনৰ বুভুক্ষাই কেনেকৈ মানৱীয় গুণ অপহৰণ কৰে তাৰ ছবি ইয়াত অংকিত কৰা হৈছে। গল্পটিৰ শীৰ্ষ বিন্দু প্ৰকাশিত হৈছে বুধিয়াৰ মৃত্যুৰ মাজত। বুধিয়াৰ মৃত্যুত তেওঁলোক দুই এলেহুৱা পিতা-পুত্ৰই জমিদাৰৰ পৰা খুজি-মাগি সুলভ পথেৰে টকা উপাৰ্জন কৰে। কিন্তু শৱ সৎকাৰৰ বাবে অৰ্জা পাঁচ টকা লৈ বজাৰত উপস্থিত হোৱাৰ লগে লগে দুয়োৰে নীচ মনোবৃত্তি আৰু উৎকট লালসাই দুয়োৰে মনুষ্যত্ব সম্পূৰ্ণৰূপে গ্ৰাস কৰে। ফলত বজাৰত কফনৰ বাবে টকা খৰচ কৰাতকৈ উদৰ পুৰোৱাতহে দুয়ো ব্যস্ত হৈ পৰে। ইয়াতেই প্ৰকাশ পাইছে চৰিত্ৰ দুটাৰ নিকৃষ্ট মানসিকতা। ঘীচু আৰু মাধৱৰ দৰিদ্ৰতা, অকৰ্মণ্যতা, অশলাগী আৰু আলস্য স্বভাৱে মানৱীয় বিচাৰ বিবেচনা আৰু মানৱীয় অনুভূতিক কিদৰে পংগু কৰি পেলাইছে তাৰ সাৰ্থক চিত্ৰ গল্পটোৰ কেন্দ্ৰবিন্দু।

সেইদৰে গল্পকাৰে ঘীচু আৰু মাধৱ এই দুয়োটা অকৰ্মণ্য চৰিত্ৰৰ কাম-কাজ আৰু প্ৰবৃত্তিবোৰ উজ্জ্বল ৰূপত অংকন কৰিছে। দুয়োটা চৰিত্ৰকেই সমাজৰ এচাম কামচোৰ ব্যক্তিৰ প্ৰতিমূৰ্তি হিচাপে থিয় কৰোৱাত গল্পকাৰে সফলতা অৰ্জন কৰিছে। দুয়ো ইমানেই আৰামপ্ৰিয় আৰু অশলাগী যে পত্নী বা বোৱাৰীৰ আৰ্তনাদ শুনিও নিজৰ আনন্দৰ বাবে কথাৰ মহলা মাৰি মচগুল হৈ আছে। আনকি মাধৱে পত্নীৰ চিৎকাৰ



Scanned with CamScanner

শুনি নিষ্ঠুৰ মনৰ পৰিচয় দি কৈছে, 'मरता ही है तो जलदी मर ज्यो नही जाती'। শেষত নিষ্ঠুৰতাৰ চূড়ান্ত শিখৰত অৱতীৰ্ণ হৈ বুধিয়াৰ মৃতদেহৰ লগতো প্ৰবঞ্চনা কৰি নিজেই সান্ত্বনা লভিছে এইদৰে—

'बड़ी अच्छी थी बेचारी। मरी तो खुब खिला पिलाकर।

... ... ... हा बेटा, बैकुण्ठ में जायंगी।

किसी को सताया नही, किसी का दुखाया नही। वह न बैकुष्ठ में जायगी तो ज्या थे मोटे मोटे लोग जायँगे।'

এনেদৰে চৰিত্ৰ দুটাৰ বাহ্যিক আৰু আন্তৰিক ব্যক্তিত্বৰ ওপৰত প্ৰেমচন্দে মনোবৈজ্ঞানিক দৃষ্টি প্ৰদান কৰি দুয়োৰে নীচ মানসিকতা প্ৰকাশ কৰিছে। সেইদৰে বুধিয়া নামৰ চৰিত্ৰটোৰ মানসিক চিন্তা-চৰ্চাৰ ওপৰত লেখকে বিশেষ গুৰুত্ব দিয়া নাই যদিও ঘীচু আৰু মাধৱৰ চাৰিত্ৰিক লক্ষণ ফুটাই তুলিবলৈ বুধিয়াৰ কাৰ্যকলাপৰ প্ৰয়োজন হৈছে। নাৰী জীৱনৰ অৱহেলা, শোষণ, উপেক্ষা আৰু লাঞ্ছনা আদিৰে পুষ্ট ই এক বাস্তৱবাদী চৰিত্ৰ। জীৱিত কালছোৱাত সহজতে অন্ন-বস্ত্ৰ লাভৰ পৰা বঞ্চিত হোৱা বুধিয়াই মৃত্যুৰ পিছতো এখন বস্ত্ৰ পাবলৈ সক্ষম নহ'ল। একেদৰে জমিদাৰী মেজাজ প্ৰকাশ কৰাত জমিদাৰৰ চৰিত্ৰটোৱেও সাৰ্থক ৰূপ লাভ কৰিছে। মুঠতে চুটিগল্পৰ অন্যতম উপাদান চৰিত্ৰৰ সংযোগত গল্পকাৰে সিদ্ধহস্ততাৰ প্ৰমাণ দিব পাৰিছে।

মন কৰিবলগীয়া যে, প্ৰেমচন্দৰ গল্পৰ কথনভংগীয়েও অতি আকৰ্ষণীয় ৰূপত ধৰা দিছে। গল্পকাৰে এই গল্পটিত ব্যংগাত্মক, জতুৱা ঠাঁচপূৰ্ণ আৰু স্পষ্ট চিত্ৰধৰ্মী বৰ্ণনা প্ৰয়োগ কৰিছে। ব্যংগাত্মক ভংগীৰ আশ্ৰয় লোৱা গল্পকাৰে অতি এলেহুৱা ঘীচুৰ পুত্ৰক 'সুপুত্ৰ' বুলি উল্লেখ কৰিছে, যিজনে আধাঘণ্টা কাম কৰি এঘণ্টালৈকে চিলিম-হোকা হুপি সময় কটায়। 'माधव भीं सुपुत्र बैटे की तरह बाप हो के पद चिह्नी पर रहा था, बल्कि उसका नाम और उजागर कर रहा था'। এইখিনিতে লক্ষ্মীনাথ বেজবৰুৱাৰ 'ধোঁৱাখোৱা' গল্পটো আমাৰ মনলৈ আহে য'ত বাপেকৰ দৰে পুতেকেও ধোঁৱা সেৱন কৰি অৱশেষত সৰ্বশ্ৰান্ত হৈ পৰিছিল। পুনৰ অতি সুন্দৰ তুলনাৰ দ্বাৰা দুয়োটা চৰিত্ৰৰ ধোৱাখুলীয়া স্বভাৱৰ পৰিচয় দিছে এইদৰে—

'घर में तो पैसा इस तरह गायब था जैसे चील के घोसले में मांस।' আকৌ মধুশালাত দুয়োজনে আৰামেৰে মদ ভক্ষণ কৰা কাৰ্যৰ ক্ষেত্ৰত গল্পকাৰে লিখিছে—

'दोनो इस बज़्त शान से बैठे हुए पुरिया खा रहे थे, जेसे जगंल में कोई शेर अपना शिकार उड़ा रहा हो।' এনেধৰণৰ অন্তৰস্পৰ্শী ৰিজনি প্ৰদান কৰি গল্পৰ কথাশৈলী অধিক ৰমণীয় কৰাত প্ৰেমচন্দ সিদ্ধহস্ত। ঠিক একেদৰে জমিদাৰৰ সন্মুখত ঘীচু আৰু মাধৱে শৱ সৎকাৰৰ বাবে কান্দি-কাতি যিখিনি কথা কৈছে সেই কথাখিনিয়ে তেওঁলোকক মিথ্যাচাৰী আৰু স্বাৰ্থপৰৰ ৰূপত সুন্দৰকৈ থিয় কৰাব পাৰিছে—



'सरकार। बड़ी निपति मे हुँ। माधव की घरवाली रात को गुजर गई।... दवा दारु जो कुछ ही सका, सब कुछ किया।... ...तबाह ही गये। घर उजड़ गया।... हमारे हाथ में तो जो कुच था वह सब तो दवा दारु में उठ गया।'

আকৌ গল্পকাৰে তেওঁৰ স্পষ্ট আৰু চিত্ৰধৰ্মী বৰ্ণনাৰ দ্বাৰা ঘীচুহঁতে সময় কটোৱা মধুশালৰ ঘৃণনীয় চিত্ৰ জীৱন্তৰূপত অংকন কৰি দেখুৱাইছে—

'ज्यो ज्यो अँन्धेरा बढ़ता था और सितारो की चमक तेज होती थी, मधुशाला की शेनक भी बढ़ती जाती थी। कोई गाता था, कोई डींच मारता था, कोई अपनी सँगी के गले लिपटां जाता था। कोई अपने दोस्त के मुह से कुलहड़ लगाये देता था।'

ঠিক একেই চিত্ৰধৰ্মীতা প্ৰকাশ পাইছে ঘীচু আৰু মাধৱে আলু পোৱা খোৱা বৰ্ণনাৰ মাজত— 'दोनो आलु निकाल निकाल कर जलते जलते खाने लगे। कल से कुछ नही खाया था। इतना सबर न था कि उन्हे ठंडा हो जाने दे। कई बार दोनो की जबाने जल गई। छिल जाने पर आलु का बाहरी हिस्सा जबान और हल्का और तालु काज़ जला देता था और उस अँगारे काज़ मुह में रखने से ज्यादा खैरियत इसी में थी कि वह अन्दर पहुँच जाय। वहा ओसे ठंडा कोसिश में उनकी काफी सामान थे। इसलिए दोनो जल्द जल्द निगल जातें। हालाकि इस कोसिश में उनकी आँखो से आसू निकल आते।' লিখকৰ এনে বৰ্ণনাশৈলী ইমান সজীৱ যে ঘীচু আৰু মাধৱে আলু খাই বহি থকা দৃশ্য পাঠকৰ চকুৰ আগত ধৰা দিয়ে। এনে অপূৰ্ব বৰ্ণনাশৈলীয়ে গল্পটিৰ ৰহন দুগুনে চৰাইছে।

এইবোৰৰ উপৰি গোটেই গল্পটোৰ মাজেদি প্ৰেমচন্দৰ সজাগ আৰু প্ৰগতিশীল মনোভাৱ প্ৰকট হোৱাটোও লক্ষণীয় বিষয়। তেওঁ সমাজত প্ৰাপ্ত ক্ৰটি, বিসংগতি আৰু সমস্যাবোৰ যথাৰ্থৰূপত তেওঁৰ লিখনিৰ মাজেৰে প্ৰকাশ কৰিছে। লিখকে তেওঁৰ গল্পত ঘীচু আৰু মাধৱৰ চৰিত্ৰক অতি নিকৃষ্ট চৰিত্ৰৰূপে অংকন কৰিছে। এনে চৰিত্ৰৰ নিষ্ঠুৰতাৰ বাবে লেখকে শোষণযুক্ত সমাজখনকো দোষী ৰূপত থিয় কৰাইছে—

'जिस समाज मे रात दिन मेहनत करनेवाले की हालत उनकी हालत से कुछ बहुत अच्छी न थी और किसानों के मुकावले मे वे लोग जो किसानो की दुर्बलताओ से लाथ उढ़ाना जानते थे कही ज्यादा सम्पन्न थे वहा इस तरह की मनोवृत्त का पैदा हो जाना कोई अचरज की बात न थी।'

তথাকথিত সমাজৰ নীতি-নিয়মত লিখকৰ কোনো বিশ্বাস নাই। সেয়ে ঘীচু চৰিত্ৰৰ মুখেৰে কোৱাইছে যে যিজনে জীৱনত পিন্ধিবলৈ কাপোৰ নাপাই তাক মৃত্যুৰ পিছত নতুন বস্ত্ৰৰ প্ৰয়োজন হয়; ই তেনেই হাস্যকৰ কথা। ঘীচু মাধৱৰ মাজেদি প্ৰকাশ পোৱা সমাজৰ ব্যাধিক গল্পকাৰে আৱেগৰ দ্বাৰা পৰিচালিত হৈ সমাধান দিব বিচৰা

নাই। সেয়ে দুয়োটা চৰিত্ৰ মদৰ ৰাগিত মতলীয়া হৈ থকা অৱস্থাতেই তেওঁ গল্পটোৰ সামৰণি ঘটাইছে। এইদৰে সমস্যা একোটি আঙুলিয়াই দি গল্পকাৰে পাঠকক ভাবাপন্ন কৰি তুলিবৰহে যত্ন কৰিছে। গল্পকাৰৰ এনে বিষয়বস্তু আৰু উদ্দেশ্যই আমাক কেউপিনৰ সমাজলৈ চকু দিয়াৰ বাবে পাঠকক বাধ্য কৰায় আৰু ইয়াৰ সক্ৰিয় প্ৰতিৰোধ গঢ়ি তুলিবলৈ প্ৰেৰণা যোগায়।

**গল্পটোৰ নামকৰণ ঃ** প্ৰেমচন্দৰ এই গল্পটোৰ নামকৰণো অন্য গল্পসমূহৰ দৰেই তাৎপৰ্যপূৰ্ণ। মন কৰিবলগীয়া যে গল্পটিৰ কেন্দ্ৰবিন্দু প্ৰকাশ পাইছে বুধিয়া চৰিত্ৰটোৰ মৃত্যুৰ পিছত প্ৰয়োজন হোৱা কফনক কেন্দ্ৰ কৰি। গতিকে গল্পৰ কেন্দ্ৰবিন্দুক আশ্ৰয় কৰিয়েই গল্পটোৰ নামকৰণ কৰাৰ কৌশল গল্পকাৰৰ প্ৰশংসনীয়। সেইদৰে 'কফন'ক কেন্দ্ৰ কৰিয়েই ঘীচু আৰু মাধৱ চৰিত্ৰ দুটাৰ চূড়ান্ত নিকৃষ্ট মনোবৃত্তি প্ৰকাশিত হৈছে। যিখন কফনৰ বাবেই খুজি মাগি দুয়ো পইচা সংগ্ৰহ কৰিলে তাক ক্ৰয় কৰাৰ বিপৰীতে নিজৰ মনুষ্যত্ব সম্পূৰ্ণৰূপে বিসৰ্জন দি দুয়ো ডুবি থাকিল নিজস্ব নিচাত। সেয়ে ইয়াতেই চৰিত্ৰ দুটাৰ নীচ মানসিকতা তীব্ৰ ৰূপত দেখুওৱাত গল্পকাৰ সফল হৈছে। পুনৰ কফন সংগ্ৰহ কাৰ্যই মৃতদেহ সৎকাৰৰ দৰে ভাৰতীয় সংস্কৃতিৰ দিশ এটি গল্পটিত উন্মোচন কৰি দেখুৱাইছে। এইবোৰ কাৰণতেই কফন নামেৰে গল্পটো নামকৰণ কৰা কাৰ্য সম্পূৰ্ণৰূপে সাৰ্থক তথা যাথযথ বুলি ক'ব পাৰি।

মুঠতে কাহিনী, চৰিত্ৰ সৃষ্টি, ভাষাশৈলী আৰু উদ্দেশ্য তথা গল্পকাৰৰ আদৰ্শ আৰু দৰ্শনৰ ফালৰ পৰা 'কফন' এক সাৰ্থক গল্পৰ দৃষ্টান্ত। হিন্দী সাহিত্য জগতৰেই নহয় গোটেই ভাৰতীয় সাহিত্যৰেই অন্যতম লেখত ল'বলগীয়া লেখক প্ৰেমচন্দৰ গভীৰ জীৱনবোধ, মানৱীয়তা আৰু ৰসোত্তীৰ্ণ কথাশৈলীয়ে গল্পটোৰ মৰ্যাদা সদায়েই অক্ষুণ্ণ ৰাখিব।



Scanned with CamScanner